# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-MAY-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। গোথেনবাৰ্গত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছুইডেনৰ প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টাৰচনৰ বৈঠক। শ্ৰী মোদীলৈ ছুইডেনৰ সৰ্বোচ্চ সন্মান প্ৰদান।

২। গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী বলৱৎ কৰাৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্তলৈ ৰাজ্য চৰকাৰৰ নিৰ্দেশ জাৰি।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীৰ জামিন আবেদন সন্দৰ্ভত আজি ফাষ্টট্ৰেক আদালতত শুনানি গ্ৰহণ।

৪। কংগ্ৰেছ নেতা ভি ডি সাথীছনৰ আজি কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে দেলহি কেপিটেলছৰ ৫ উইকেটত জয়লাভ।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ছুইডেনৰ সৰ্বোচ্চ সন্মান **ৰয়েল অৰ্ডাৰ অৱ দা প'লাৰ ষ্টাৰ, ডিগ্ৰী কামাণ্ডাৰ গ্ৰেণ্ড ক্ৰছ** প্ৰদান কৰা হৈছে। দ্বিপাক্ষিক সম্পৰ্কৰ দিশত গুৰুত্বপূৰ্ণ অৱদান তথা দূৰদৰ্শী নেতৃত্বৰ স্বীকৃতিস্বৰূপে শ্ৰী মোদীলৈ এই সন্মান আগবঢ়োৱা হৈছে। এয়া হৈছে প্ৰধানমন্ত্ৰী মোদীৰ ৩১ সংখ্যক আন্তঃৰাষ্ট্ৰীয় সন্মান। উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে কালি ছুইডেনলৈ যোৱা প্ৰধানমন্ত্ৰী মোদীয়ে যোৱা নিশা গোথেনবাৰ্গত দেশখনৰ প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টাৰচনৰ সৈতে আলোচনাত মিলিত হয়।

প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত কালি দুয়োগৰাকী নেতাই ভাৰত-ছুইডেন সম্পৰ্কৰ সকলো দিশ পৰ্যালোচনা কৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কক কৌশলগত অংশীদাৰিত্বলৈ বৃদ্ধি কৰাত সন্মতি প্ৰকাশ কৰে। তেওঁলোকে বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, মহাকাশ, উন্নত প্ৰযুক্তি, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, লঘু আৰু মজলীয়া উদ্যোগ, গৱেষণা তথা জনসাধাৰণৰ মাজত সম্পৰ্ক আদিৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ সন্দৰ্ভত আলোচনা কৰে।

পাঁচখন দেশ ভ্ৰমণৰ চতুৰ্থ পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ন'ৰৱেলৈ যাব আৰু তাত তেওঁ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলন আৰু দ্বিপাক্ষিক আলোচনাত অংশ ল'ব। এই ভ্ৰমণকালত শ্ৰীমোদীয়ে দেশখনৰ ৰজা পঞ্চম হেৰল্ড আৰু ৰাণী ছন্যাক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী য়'নাছ্ গৰ ষ্ট'ৰৰ সৈতে দ্বিপাক্ষিক আলোচনা

মিলিত হ'ব। শ্ৰীমোদীৰ লগতে ভাৰত-ন'ৰ্ৱে ব্যৱসায় আৰু গৱেষণা সন্মিলনতো ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত-ন'ৰ্ৱে সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্যালোচনাৰ উপৰি বাণিজ্য আৰু বিনিয়োগ, বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি তথা স্বচ্ছ আৰু সেউজ প্ৰযুক্তি আৰু সমুদ্ৰ অৰ্থনীতিৰ ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব।

০০০০০০

গুৰুতৰ প্ৰদূষণজনিত সমস্যা সৃষ্টি কৰা গোটা আৱৰ্জনা নিষ্কাষনৰ বাবে প্ৰস্তুত কৰা ২০২৬ চনৰ গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী বলৱৎ কৰাৰ বাবে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্তলৈ ৰাজ্য চৰকাৰে নিৰ্দেশ জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ে পৰিৱেশ সুৰক্ষা আইনৰ অধীনত জিলা আয়ুক্তসকলক গোটা আৱৰ্জনা ব্যৱস্থাপনা নিয়মাৱলী বলৱৎ কৰাৰ কৰ্তৃত্ব আৰু ক্ষমতা প্ৰদান কৰি অলপতে দিয়া এটা ৰায়ৰ পাছত মুখ্য সচিব ড০ ৰবি কোটাই শেহতীয়াকৈ জিলা আয়ুক্তসকললৈ এই নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি জিলা আয়ুক্তসকলক তেওঁলোকৰ অধীনৰ এলেকাসমূহত গোটা আৱৰ্জনা নিষ্কাষণৰ বাবে থকা আন্তঃগাঁথনিৰ পৰ্যালোচনা কৰাৰ লগতে প্ৰতি তিনিমাহৰ মূৰে মূৰে নগৰীয়া আৰু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ কামকাজৰ পৰ্যালোচনা কৰি মুখ্য সচিবলৈ প্ৰতিবেদন প্ৰেৰণ কৰিব লাগিব। জিলা আয়ুক্তসকলে পৌৰ নিগম নিকায়ৰ লগতে পঞ্চায়তসমূহে চাৰি প্ৰকাৰৰ আৱৰ্জনা পৃথকীকৰণকে ধৰি দীৰ্ঘদিনৰ পৰা জমা হৈ থকা আৱৰ্জনা নিষ্কাষণ নিশ্চিত কৰিব লাগিব। ইয়াৰ বাবে পৌৰ নিগম নিকায় আৰু পঞ্চায়তসমূহক ৬০ দিনৰ ভিতৰত গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ সময়সীমা তথা নিৰ্দিষ্ট কাৰ্যসূচী প্ৰস্তুতৰ বাবে নিৰ্দেশ দিয়া হৈছে।

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা জামিন আবেদন সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত বিশেষ তদন্তকাৰী গোটে বিগত বৰ্ষৰ দুই অক্টোবৰত শিল্পীগৰাকীৰ বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক গ্ৰেপ্তাৰ কৰিছিল। তেতিয়াৰে পৰা হাফলং উপ-কাৰাগাৰত থকা অভিযুক্তগৰাকী জামিন বিচাৰি বৰ্তমান আদালতৰ দ্বাৰস্থ হৈছে। ফাষ্টট্ৰেক আদালতে ইয়াৰ পূৰ্বে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন নাকচ কৰিছিল। ইয়াৰ পাছত শ্যামকানু মহন্তই জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। ইতিমধ্যে উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে শ্যামকানু মহন্তৰ জামিন আবেদনৰ ভিত্তিত অহা ২২ মে'ত গোচৰটোৰ কেছ ডায়েৰী দাখিল কৰিবলৈ অসম চৰকাৰক নিৰ্দেশ দিছে।

০০০০০০

কংগ্ৰেছ নেতা ভি ডি সাথীছনে আজি কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। শ্ৰীসাথীছনে তেওঁৰ শপত গ্ৰহণৰ পূৰ্বে কালি সন্ধিয়া ২১ জনীয়া ইউ ডি এফ মন্ত্ৰীসভা ঘোষণা কৰে। এই মন্ত্ৰীসভাত সাথীছনকে ধৰি ১৪ জনে প্ৰথমবাৰৰ বাবে মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিব। ৰাজ্যপাল ৰাজেন্দ্ৰ আৰ্লেকাৰক মন্ত্ৰীসকলৰ তালিকা অৰ্পণ কৰি শ্ৰীসাথীছনে ইউ ডি এফৰ আটাইকেইজন সদস্যই একেলগে শপত গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাজ্যখনত কংগ্ৰেছে মুখ্যমন্ত্ৰী পদকে ধৰি ১১টা মন্ত্ৰীপদ

লাভ কৰাৰ বিপৰীতে ইণ্ডিয়ান ইউনিয়ন মুছলীম লীগে ৫টা মন্ত্ৰীপথ লাভ কৰে। কেৰালা কংগ্ৰেছ (জোছেফ), আৰ এছ পি, কেৰালা কংগ্ৰেছ (জেকব) আৰু চি এম পিয়ে এটাকৈ মন্ত্ৰীপদ লাভ কৰিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাক-মৌচুমীৰ প্ৰভাৱত বিগত দিনকেইটাত ধুমুহা-গাজনিৰে প্ৰৱল বৰষুণ হোৱাৰ ফলত বহু অঞ্চল জলমগ্ন হোৱাৰ লগতে জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। কোকৰাঝাৰ জিলাত কালি সন্ধিয়া অহা প্ৰবল ধুমুহা-বৰষুণে বহু ঘৰ-দুৱাৰ, শস্যৰ লগতে ৰাজহুৱা আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি কৰে। ধুমুহাত কোকৰাঝাৰ আৰক্ষীচকীৰ চৌহদত থকা পুৰণি ৱায়াৰলেছ টাৱাৰটো ভাঙি পৰে। বিভিন্ন অঞ্চলত বৃহৎ বৃহৎ গছ উভালি পৰাৰ ফলত কেইবাঘণ্টালৈ যাতায়াত ব্যাহত হৈ পৰে। তদুপৰি ধুমুহাত বৈদ্যুতিক খুঁটা আৰু তাঁৰ ছিঙি পৰাত বহু অঞ্চলত বিদ্যুৎ যোগানো ব্যাহত হৈ পৰে। জিলাখনত ধুমুহা-বৰষুণত ক্ষয়ক্ষতি সন্দৰ্ভত আমাৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে এইদৰে কয়-

(বাইট)

০০০০০০

এডভাণ্টেজ অসম শীৰ্ষক বিনিয়োগ সন্মিলনৰ দ্বিতীয় সংস্কৰণত স্বাক্ষৰিত বুজাবুজি চুক্তিৰ অধীনৰ প্ৰকল্পসমূহৰ ষাঠি শতাংশ ৰূপায়নৰ বিভিন্ন পৰ্যায়ত আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰিছে। অসমে লাভ কৰা ৫ লাখ কোটি টকাৰো অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতিৰ ভিতৰত ৩ লাখ কোটি টকাৰো অধিক শিতানত প্ৰকল্পসমূহ ৰূপায়ন কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। এই প্ৰকল্পসমূহ সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'লে অসমৰ বাবে যুগান্তকাৰী পদক্ষেপ হিচাপে বিবেচিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যত এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালত এহেজাৰ ২৫০ বৰ্গ কিলোমিটাৰ ভূমি দখলমুক্ত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে ইয়াৰ বাবে ইতিমধ্যে প্ৰাৰম্ভিক প্ৰস্তুতি চলোৱা হৈছে। উল্লেখযোগ্য যে ৰাজ্যৰ অবৈধভাৱে দখলিকৃত ভূমিত চৰকাৰে পুনৰ উচ্ছেদ অভিযান আৰম্ভ কৰিছে। যোৱা শনিবাৰে কামৰূপ জিলাৰ আমিনগাঁও অঞ্চলত উচ্ছেদ অভিযান চলোৱা হয়।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত গুৱাহাটী পৌৰ নিগম, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ, গুৱাহাটী জলবোৰ্ড আৰু অমৃট আদি সংস্থাসমূহৰ বিভিন্ন উন্নয়নমূলক আঁচনি আৰু কাৰ্যসূচীৰ খতিয়ান লয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটীকে ধৰি ৰাজ্যৰ চহৰসমূহৰ প্ৰতিগৰাকী নাগৰিকৰ সুবিধা সুনিশ্চিত কৰি বিশুদ্ধ খোৱাপানী, কৃত্ৰিম বান ব্যৱস্থাপনা, অনাময় আদি গুৰুত্বপূৰ্ণ বিষয়সমূহক অগ্ৰাধিকাৰ দিবলৈ সংস্থাসমূহক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে গুৱাহাটীত দেশৰ ভিতৰতে এখন অন্যতম আধুনিক আৰু সৰ্বাংগ সুন্দৰ মহানগৰ হিচাপে গঢ়ি তুলিবলৈ সকলো ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট বিভাগক নিৰ্দেশনা প্ৰদান কৰে।

০০০০০০

মধ্য অসমৰ অন্যতম প্ৰধান চহৰ নগাঁৱৰ ৰাজপথসমূহ অধিক পৰিষ্কাৰ কৰি ৰখাৰ উদ্দেশ্যে নগাঁও পৌৰসভাই শেহতীয়াকৈ অত্যাধুনিক মেকানিকেল ছুইপিং মেচিন বা যন্ত্ৰচালিত ঝাড়ু সংযোজন কৰিছে। পৰম্পৰাগত পদ্ধতিৰ পৰা স্বয়ংক্ৰিয় প্ৰযুক্তিলৈ এই পৰিৱৰ্তনে পথসমূহ পৰিষ্কাৰ কৰি ৰখাত সহায় কৰাৰ লগতে দক্ষ পৌৰ প্ৰশাসনৰ ভেঁটি শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। নগাঁও পৌৰ নিগমৰ আন্তঃগাঁথনি আধুনিকীকৰণৰ দুৰদৰ্শী চিন্তা বাস্তৱত সফল হ'লে ৰাজ্যৰ অন্য পৌৰনিগম ব্যৱস্থাটো ইয়াৰ ব্যৱহাৰ হোৱাৰ থল আছে।

০০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত চৰ-চাপৰি ভাষা সাহিত্য সংস্কৃতি উপ-সমিতিৰ সহযোগত বৰপেটা জিলাৰ কয়াকুছিত কালি বিদ্যায়তনিক আৰু সাংস্কৃতিক সমাৱেশ ২০২৬ শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীকে মুখ্য কৰি আন ১০৮ গৰাকী লোকে সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। পাছত ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলেনেৰে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। চৰ চাপৰি অঞ্চলৰ কৃষ্টি-সংস্কৃতি আৰু অসমৰ সাৰ্বজনীন কৃষ্টি সংস্কৃতি প্ৰতিফলিত হোৱাকৈ এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত প্ৰায় ৫ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাৰ পাছত অসমীয়া জাতিৰ আত্মপৰিচয়, চৰ চাপৰিৰ অসমীয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত সন্দৰ্ভত এখন আলোচনা সত্ৰও অনুষ্ঠিত হয়। বৰপেটা জিলা সাহিত্য সভাৰ সভাপতি গিৰিধৰ চৌধুৰীয়ে চৰ চাপৰিবাসীক ন অসমীয়া কোৱাৰ পৰিৱৰ্তে অসমীয়াহে ক'ব লাগে বুলি আহ্বান জনায়। মুকলি সভাত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে চৰ চাপৰি অঞ্চলৰ বাসিন্দাসকলে অসমৰ গ্ৰামীণ অৰ্থনীতিৰ বিকাশৰ অৰ্থে আগবঢ়োৱাৰ অৱদানত আলোকপাত কৰে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৯৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ ২টা বলত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দলৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৫৬ ৰান কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। ধ্ৰুৱ জোৰেলে সৰ্বাধিক ৫৩ ৰান কৰে। দেলহিৰ হৈ ৪ উইকেট দখল কৰা মিছেল ষ্টাৰ্কক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে প্ৰতিযোগিতাত কালি বিয়লি ধৰমশালাত অনুষ্ঠিত আন এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে পঞ্জাৱ কিংছক ২৩ ৰানত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে প্ৰথমটো দল হিচাপে প্লে অফলৈ যোগ্যতা অৰ্জন কৰে।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

News Paper Review 18-05-2026

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পাচদেশীয় ভ্ৰমণ তথা কালি ছুইডেনৰ সৰ্বোচ্চ সন্মান 'ৰয়েল অৰ্ডাৰ অৰ প 'লাৰ ষ্টাৰ কমাণ্ডাৰ গ্ৰেণ্ড ক্ৰছ ' সন্মানেৰে বিভূষিত হোৱাৰ খবৰে আজিৰ বাতৰি কাকতসমূহত গুৰুত্ব লাভ কৰিছে। বা pতৰিটো "দৈনিক জনমভূমি" কাকতে 'ছুইডেনৰ সৰ্বোচ্চ সন্মানেৰে বিভূষিত মোদী , ১৭খন চুক্তিত স্বাক্ষৰ ভাৰত-নেদাৰলেণ্ডৰ' আৰু "অসমীয়া প্ৰতিদিন" কাকতে 'নেদাৰেণ্ডছ ভ্ৰমণ সামৰি ছুইডেনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী - আকাশমাৰ্গত বায়ুসেনাৰ নিৰাপত্তা , বিমান বন্দৰত মোদীক আদৰণি প্ৰধানমন্ত্ৰী ক্ৰিষ্টাৰছনৰ ' শিৰোনাম দিছে। 'নেদাৰলেণ্ডছৰ সামাজিক অনুষ্ঠানত ডিণ্ডিত আৰ 'নাই লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ' শীৰ্ষক বাতৰি এটাক "দৈনিক অসম" কাকতে আগস্থান দিছে।

অসম ভ্ৰমণলৈ অহা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সঙ্ঘৰ সৰসঙ্ঘচালক ডাঃ মোহন ভাগৱতক মুখ্যমন্ত্ৰী ড °হিমন্ত বিশ্ব শৰ্মাৰ সাক্ষাতৰ বাতৰি এটা আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। "অসমীয়া খবৰ" কাকতত বাতৰিটোৰ শীৰ্ষক - 'সুদৰ্শনালয়ত আৰএছএছৰ মুৰব্বী মোহন ভাগৱতেৰে ৰুদ্ধদ্বাৰ বৈঠক হিমন্ত বিশ্বৰ - মন্ত্ৰীসভা গঠনৰ পৰামৰ্শ নে সৌজন্যমূলক সাক্ষাৎ । ' একেটা বাতৰি "আমাৰ অসম" কাকতে প্ৰথম পৃষ্ঠাত 'সুদৰ্শনালয়ত আৰএছএছ প্ৰধানৰ সৈতে মুখ্যমন্ত্ৰীৰ ৰুদ্ধদ্বাৰ বৈঠক ' শিৰোনামেৰে প্ৰকাশ কৰিছে।

"দৈনিক অগ্ৰদূত" কাকতে অন্ধ্ৰপ্ৰদেশৰ উদ্ধৃতিৰে জনসংখ্যা তথা পৰিয়াল পৰিকল্পনাকলৈ ভাৰতৰ ভিন ভিন ৰাজ্য চৰকাৰে গ্ৰহণ কৰা নীতিসমূহক সামৰি বিশ্লেষণাত্মক এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। "দা ছেণ্টিনেল" কাকতত একেটা বাতৰিৰ শিৰোনাম - 'Why Chandrababu Naidu announced incentives for 3rd & 4th Child?'

"নিয়মীয়া বাৰ্তা" কাকতে এডভাণ্টেজ আছাম ২.০ত অসমে ৫লাখ কোটিৰো অধিক বিনিয়োগৰ প্ৰতিশ্ৰুতিৰ আশ্বাস লাভ কৰা তথা সম্পাদিত চুক্তিৰ ৬০% ৰূপায়ণৰ উন্নত পৰ্যায়ত থকা বুলি মুখ্যমন্ত্ৰী ড °হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰাৰ বাতৰি এটা প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**বৃহৎ পৰিমাণৰ ৰন্ধন গেছ ভাৰতলৈ অনাৰ এটা বাতৰি "দি আছাম ট্ৰিবিউন" কাকতে - 'Vessel Carrying 20K-tonne LPG reaches Gujrat Port' - শিৰোনাম দিছে।**

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিয়াৰ লগতে অসমৰ কেইবাখনো জিলাত য়েল্ল' এলাৰ্ট জাৰি কৰিছে।

০০০০০০

***ঃঃ সমাপ্ত ঃঃ***